৪ পৃষ্ঠাত
১০ পৃষ্ঠাত

বৰ্ধিত
য়
ব
দী

ৰিকাৰ সৈতে
টিছে তাৰেই
বৰ্ধিত শুল্ক।
৬ পৃষ্ঠাত


# অসম আদিত্য

১২ ভাদ, ১৯৪৭ শক ■ শুকুৰবাৰ, ২৯ আগষ্ট, ২০২৫ ■ Asom Aditya, Dibrugarh, Friday, August 29, 2025


সাহি
৫০ ল
ভৰ
বিশেষ প্ৰতি
সত্তৰৰ দশকৰ
সভাৰ বিভিন্ন
বিশিষ্ট অধিবক্ত

### বিশিষ্ট লেখক ড° শশীকান্ত শইকীয়াক আহ্বায়ক হিচাপে মনোনীত

## তিনি উপাচাৰ্যৰে শক্তিশালী ৰূপত সাহিত্য সভাৰ শৈক্ষিক সমিতি

**ষ্টাফ ৰিপৰ্টাৰ, ২৮ আগষ্ট ঃ** অসম সাহিত্য সভাই সাহিত্য, সংস্কৃতিৰ ভেঁটি শক্তিশালী আৰু সুদৃঢ় কৰাৰ স্বাৰ্থত এক নতুন দিশ মুকলি কৰিছে। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰাই সম্প্ৰতি এক ঐতিহাসিক সিদ্ধান্ত গ্ৰহণৰে তিনিখন জনপ্ৰিয় বিশ্ববিদ্যালয়ৰ তিনিগৰাকী উপাচাৰ্যক লৈ আলোচনা-সত্ৰ, বিদ্যায়তনিক কাৰ্যসূচী আৰু পৰামৰ্শ প্ৰদানৰ বাবে এখন সমিতি গঠনৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সম্পৰ্কত এগৰাকী বিশিষ্ট লেখক, সমাজ সংগঠক, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াক আহ্বায়ক হিচাপে লৈ এখন শক্তিশালী শৈক্ষিক সমিতি গঠন কৰি দিছে। এই সমিতিখনে বিবিধ সমস্যা সম্পৰ্কত পৰামৰ্শ দিয়াৰ লগতে মূল অধিৱেশনৰ আগতে বিভিন্ন শাখা সন্মিলন আয়োজন আৰু সন্মিলনৰ বিষয় নিৰ্বাচন কৰাত কাৰ্য সম্পাদন কৰিব। সমিতিখনত অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ অজন্তা বৰগোহাঁই ৰাজকোঁৱৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰোদ বৰুৱাক উপদেষ্টা হিচাপে মনোনীত কৰা হৈছে। আনহাতে, সদস্য হিচাপে মনোনীত কৰা হৈছে ক্ৰমে— গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড০ ৰাজীৱ সন্দিকৈ, গুৱাহাটী বিশ্ববিদ্যালয় জ্যেষ্ঠ প্ৰাধ্যাপক ড০ যোগেন চন্দ্ৰ কলিতা, বিশিষ্ট লেখক তথা বৰপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বিৰিঞ্চি কুমাৰ দাস, ডিব্ৰুগড়ৰ বিশিষ্ট উদ্যোগপতি, শিক্ষা সংগঠক জ্যোতিপ্ৰসাদ কানৈ আৰু অসম আদিত্য কাকতৰ সম্পাদক মনজিত বৰাক। এই সমিতিখনে অসমৰ উচ্চ শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ মাজত নিবিড় সম্পৰ্ক স্থাপন কৰি শিক্ষাৰ ক্ষেত্ৰখনত এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিব। আলোচনা-সত্ৰসমূহ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত অনুষ্ঠিত কৰা হ'ব। প্ৰস্তাৱিত আলোচনা-সত্ৰসমূহত শিক্ষাৰ মান উন্নয়ন, আঞ্চলিক ভাষা-সাহিত্যৰ উত্তৰণ, সংৰক্ষণ, গৱেষণাৰ নতুন পথৰ সন্ধান আৰু বিশ্বমানৰ জ্ঞান, বিজ্ঞান, প্ৰযুক্তিৰ স'তে অসমক সংযোগ কৰাৰ দিশত বিতং আলোচনা কৰিব। অসম সাহিত্য সভাৰ ইতিহাসত তিনিখন বিশ্ববিদ্যালয়ৰ তিনিজন উপাচাৰ্যৰ অন্তৰ্ভুক্তিৰে এনেদৰে শক্তিশালী শৈক্ষিক সমিতি গঠন কৰি শিক্ষা, সাহিত্য, সাংবাদিকতাৰ উত্তৰণ কৰিবলৈ চেষ্টা চলোৱা এয়াই প্ৰথম। ইতিমধ্যে মনোনীত উপাচাৰ্যসকলকে ধৰি অন্যান্য সদস্যসকল এনে এখন উচ্চস্তৰীয়



সমিতিৰ অংশীদাৰ হ'বলৈ পাই উৎসাহিত হৈছে বুলি জানিব পৰা গৈছে। সভাৰ এই পদক্ষেপে অসমৰ শিক্ষা, সাহিত্য, সংস্কৃতি, বিজ্ঞান, সাংবাদিকতাৰ উত্তৰণত এক নতুন দিশ উন্মোচন কৰিব বুলি আশা কৰা হৈছে। অসম সাহিত্য সভাৰ বিভিন্ন সন্মিলন, আলোচনা-সত্ৰ আদিত দৰ্শক, শ্ৰোতাৰ সেৰেঙা উপস্থিতিৰ পৰিপ্ৰেক্ষিতত অসম সাহিত্য সভাই বৌদ্ধিক দিশত সবল পদক্ষেপ গ্ৰহণৰ যোগেদি এনেদৰে বিশ্ববিদ্যালয়, মহাবিদ্যালয়ত সন্মিলন আয়োজন কৰি মূল উদ্দেশ্য সফল হোৱাৰ আশাৰে এনে শক্তিশালী শৈক্ষিক সমিতি গঠন কৰা বুলি জানিব পৰা গৈছে।

## মটক স্বায়ত্তশাসিত পৰিষদৰ প্ৰশিক্ষণ শিবিৰ

**ডিব্ৰুগড়, ২৮ আগষ্ট ঃ** মটক স্বায়ত্তশাসিত পৰিষদৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত ২৮ আৰু ২৯ আগষ্টৰ দুদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড়ৰ উপকণ্ঠ অঞ্চল বিনৈগুটীয়া গাঁৱৰ বিনৈগুটীয়া সূৰ্যোদয় সংঘত দিনৰ ১০.৩০ বজাৰ পৰা মহিলা সৱলীকৰণ আৰু আত্মনিৰ্ভৰশীলতা সম্পৰ্কত এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। উক্ত শিবিৰত বৈজ্ঞানিক দৃষ্টিভংগীৰে কেনেকৈ পশু পালন কৰিব লাগে তাৰ ওপৰত বিষদভাৱে প্ৰশিক্ষণ প্ৰদান কৰা হয়। জনসাধাৰণৰ মাজলৈ সোমাই যোৱাৰ প্ৰয়াস কৰাৰ লগতে গাঁও অঞ্চলৰ মহিলাসকলক আৰ্থিকভাৱে টনকীয়াল কৰাৰ উদ্দেশ্যৰে মটক স্বায়ত্তশাসিত পৰিষদে এই প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰিছে বুলি জানিবলৈ দিয়ে। আজি পশু চিকিৎসক ডাঃ জ্যোতিপ্ৰসাদ হাতীবৰুৱাই প্ৰায় দুই শতাধিক মহিলাক প্ৰশিক্ষণ প্ৰদান কৰে বুলি জানিব পৰা গৈছে। উক্ত মহিলা সৱলীকৰণ আৰু আত্মনিৰ্ভৰশীলতা প্ৰশিক্ষণ শিবিৰ অহা ১ আৰু ২ ছেপ্টেম্বৰত গৰুধৰীয়া তৰুণজ্যোতি যুৱক সংঘত আৰু ৪ আৰু ৫ ছেপ্টেম্বৰত বামকলাখোৱা যুৱক সংঘত অনুষ্ঠিত কৰা হ'ব বুলি মটক স্বায়ত্তশাসিত পৰিষদৰ পশু পালন আৰু পশু চিকিৎসা বিভাগৰ কাৰ্যনিৰ্বাহক পাৰিষদ যতীন দিহিঙীয়াই জানিবলৈ দিয়ে। উক্ত অনুষ্ঠানত মটক স্বায়ত্তশাসিত পৰিষদৰ পশু পালন আৰু পশু চিকিৎসা বিভাগৰ কাৰ্যনিৰ্বাহক পাৰিষদ যতীন দিহিঙীয়া, ডাঃ জ্যোতিপ্ৰসাদ হাতীবৰুৱাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিৰ লগতে দুইশতাধিক মহিলাই অংশগ্ৰহণ কৰে বুলি জানিব পৰা গৈছে।